DAILY ASSAM

## ৫। অসমীয়া তদ্ধিত প্ৰত্যয়

৫ ঃ ১ শব্দ গঠনকাৰী তদ্ধিত প্ৰত্যয় দুই প্ৰকাৰে ব্যৱহাৰ হোৱা দেখা যায়। (ক) কিছুমান স্বাৰ্থিক প্ৰত্যয় (Renundant Suffixes) আৰু (খ) কিছুমান গঠনকাৰী তদ্ধিত (Secondary Derivatives) প্ৰত্যয়।

৫ ঃ ২ স্বাৰ্থিক প্ৰত্যয় যোগ হ'লে শব্দৰ অৰ্থৰ পৰিৱৰ্তন নঘটে। কেৱল কেতিয়াবা শব্দৰ অৰ্থ সংকীৰ্ণ হয় আৰু কেতিয়াবা কোনো জাতি বা শ্ৰেণীৰ গুণ নাইবা ক্ষুদ্ৰাৰ্থ (Diminutive) বুজায়।

অসমীয়া ভাষাত স্বাৰ্থিক প্ৰত্যয় কেতিয়াবা কেতিয়াবা গঠনকাৰী তদ্ধিত প্ৰত্যয় ৰূপে ব্যৱহাৰ হয়। সেইবাবে দৃঢ় সীমা টানি স্বাৰ্থিক প্ৰত্যয় আৰু সাধাৰণ তদ্ধিতক বিভাগ কৰিব নোৱাৰি। অসমীয়া ভাষাত ব্যৱহাৰ হোৱা এই দুয়ো প্ৰকাৰ তদ্ধিত প্ৰত্যয় আলোচনা কৰা হ'ল।

৫ ঃ ৩ ক, স্বাৰ্থিক প্ৰত্যয় (Renundant Suffixes Or Pleonastic Suffixes)

১। অ ঃ প্ৰাচীন আৰ্য ভাষাত ব্যৱহাৰ হোৱা স্বাৰ্থত প্ৰত্যয় 'ক' লোপ হৈ 'অ' হয়। অন্ত্য অ সাধাৰণতে উচ্চাৰণ নহয়।

(সং, লগ্নকঃ) লগ, লাগ।

২। ক ঃ আৰু বৰ্ধিত ৰূপ ঃ নাম শব্দৰ পিছত স্বাৰ্থিকভাৱে বহে। যথা, অন্ধ-অন্ধক, পিতা-পিতাক, মা-মাক, বাল-বালক, দৃষ্টক-দিঠক, জোন-জোনাক,

এতেক-যেতেক, ভাই-ভায়েক, ভনী-ভনীয়েক তেনেকৈ গিৰীয়েক, পৈ-পৈয়েক, হালুক (লঘুকং), বাই-বায়েক, ভেল-ভেলেকা, চিন (চিহ্ন)-চিনাকি, নাই-নাইকিয়া, জলকীয়া, (জ্বাল), খৰিকা (খট)।

৩। **কা** ঃ নাম শব্দৰ পিছত স্বাৰ্থিকভাৱে বহে। যথা, হালকা (লঘুকং), সেৰেকা (সাৰকং water), স্ফুট্-ফুটুকা।

৪। **আ** ঃ নাম শব্দৰ পিছত স্বাৰ্থিকভাৱে বহে।

(ক) সংস্কৃত স্বাৰ্থিক 'ক'ৰ পৰিবৰ্তিত ৰূপ। যথা,

সং, মামক— অস, মামা, সং, ফলকং— অস, ফলা, সং, ছুপক— অস, ছোপা, সং, স্ফোটক ঃ অস, ফোৰা। আকৌ—

(খ) সোণ— সোণা, হৰিণ-হৰিণা।

৫। **আই** ঃ স্বাৰ্থিকভাৱে ব্যৱহাৰ হয়। যথা,

পিতা— পিতাক, পিতাই, মা— মাই, দাদা— দাদাই, ভাই— ভায়েক, ভৈয়াই, বাপ (বপ্ৰ) বাপেক, বাপ, বোপা, বোপাই। তেনেকৈ মামা— মোমায়েক, মোমাই, সোণ, সোণাই—, পুত্ৰ—পুতাই, জেঠা—জেঠাই।

৬। **ৰ, ৰা, ৰি, ৰী** ঃ নাম শব্দৰ পিছত স্বাৰ্থিকভাৱে ব্যৱহাৰ হয়। যথা,

(সং শিফা) শিপা—ৰ শিয়াৰ, কাষ—ৰ কাষৰ সং দম্য (young bullock) দমৰা—দামুৰি (ৰী), জীয়া (দুহিতা) জীয়ৰী— জীয়াৰী, মতা মতৰা (বাৰ মতৰা) নাও-নাওৰা, বাপ, বোপা— বপুৰা, বপুৰী, কোৱা (সং কাক) কাউৰ, কাউৰী। চেঁক— কুৰা, বাচা (বৎস)— বেচেৰা, বেচেৰী (স্ত্ৰী), বাৰ্তা— বাতৰি, বতৰা, লগ, (লগ্নক) লিগিৰা-লিগিৰী, বোৱাৰী, (ব্যৱহাৰিকা সং, বধু অস, বউ, বৌ)।

৭। **ল, লা, লি, লী** ঃ নাম শব্দৰ পিছত স্বাৰ্থিকভাৱে ব্যৱহাৰ হয়। যথা,

(সং. অগ্ৰ)— অস, আগ, আগত, আগলি।

(সং. পীতা)— অস, পীতল।

(সং. পত্ৰ)— অস, পাত, পাতল, পাতলা, (সদৃশ অৰ্থত সাধাৰণ তদ্ধিত)।

(সং. অন্ধ)— অস, অন্ধ, অন্ধলা।

(সং. উচ্চ)— উচ্ + লা = উচলা। চকলা

(সং. শাৱক) অস, ছাৱা— ছৱাল— ছোৱালী— (স্ত্ৰী, চেঁউৰী) (গৰু-মহ'ৰ পোৱালি)।

(সং. গ্ৰহ)— অস, পথালি। (সং. দীৰ্ঘ) অস, দীঘ, দীঘল, দীঘলী।

(সং. জ্যেষ্ঠ)— অস, জেঠা, জেঠাল। (সং. ধুমক) অস, ধোঁৱা, ধুঁৱলী।

(সং ছাগ)— অস, ছাগল—ছাগলী। (সং. গুম্ফ) অস, গোঁফ-গুঁফলি (ঘোঁৱাৰ)।

(সং. ভেক)— অস, ভেকোলা, ভেকুলী। (সং. বক) অস, বগ-বগলী (নামনি-বগুলা)।

(সং. পক্ষী)— অস, পখি-পখিলা, পখিলী।

(সং. অঞ্জ)—অস, অজলা, আজলী।

উলা, উলি ঃ স্বাৰ্থিক গুৰা, গুৰুলা, মাজ-মাজুলী, মাজুলি, সজ্জা—সঁজুলি।

**৮। অঙ্, অঙা, (আ নিৰ্দেশক প্ৰত্যয়) ঃ** স্বাৰ্থিক প্ৰত্যয় ৰূপে ব্যৱহাৰ হয়। বিশেষতঃ অসমীয়া প্ৰত্যয়। যথা, বিপাক-বিপাঙ্। ভেলেকা-ভেলেঙা। জোলোঙা, জলচা, হটঙা, (হাড্ডি)।

৯। ই ঃ (ক) স্বাৰ্থিকভাৱে ব্যৱহাৰ হয়। সং, 'ইকা'ৰ পৰা 'ই' উদ্ভৱ হৈছে। যথা,

(চূড়া) চুলি। নিহলি-সং, নীশাৰ। পাহ (পাশ)-পাহি। আৰ্হি (আদৰ্শ)।

(খ) ক্ষুদ্ৰাৰ্থ বুজাবলৈও 'ই' প্ৰত্যয় ব্যৱহাৰ হয়। যথা, কোঁহ-(কোশ) কুঁহি পৰৱৰ্তী (শব্দাংশত 'ই' সম্মুখ উচ্চ ধ্বনি যোগ হোৱা বাবে স্বৰ সংগতিৰ কাৰণে 'ও'ৰ ঠাইত 'উ' হৈছে)।

টেমা-টেমি। ডোবা-ডুবি (স্বৰ সংগতিৰ বাবে 'উ' হৈছে)। মাদল-মাদুলি। চাক (চকা)-চাকি। ছতা (ছত্ৰ)-ছাতি।

**১০। উ, উক, উৰা ঃ** স্বাৰ্থিক প্ৰত্যয়।

ছুল-ছেলু (স্বৰ সংগতিৰ বাবে আগৰ 'অ' 'এ' হৈছে। নল-নেলু (সদৃশ অৰ্থত)। সং. বৃন্ত-বেঁটু। সং. খস-খহু। ঠানি-ঠেনু। চেঁচা-চেঁচুকা, মাজ-মাজু (ডেকা), বাপ-বাপু, নট-নটুৱা।

**১১। উৰা, উৰা ঃ** স্বাৰ্থিক প্ৰত্যয়। যথা,

(বৎস + ৰূপ), বাচা + উৰ = বাচুৰ, (গৰ্ভ + ৰূপ) গাভৰু বা গভুৰা, গো- + ৰূপ = গৰু, মুজা-মুজুৰ।

**১২। টা, টি ঃ** স্বাৰ্থিক আৰু নিৰ্দেশক প্ৰত্যয়।

(কষায়) কঁহা-কেঁহেটো, খস-খহটা, লাল-লালটি, স্ফুলিংগ-ফিৰিঙতি, ফিৰিং-গতি। পংগু-পেঙেটা।

**১৩। অন, ন, না ঃ** স্বাৰ্থিক প্ৰত্যয়।

কৰঙ্ক-ন = কৰংগন। টেমা-ন-টেমুনা (শাৰক)। ছাৱ-না = ছানা (পোৱালি)। অংগ-নি = আঙনি।

**১৪। হ ঃ** স্বাৰ্থিক বা বিশেষণাত্মক প্ৰত্যয়।

ৰূপ + শ = ৰূপহ (ধুনীয়া) স্ত্ৰী, ৰূপহী,

অৰ্ধ + শ = আদহ (ঈয়া যোগ কৰিলে 'আদহীয়া' হয়)। তেনেকৈ জলহু (জড়া-মূৰ্খ)। গদহা (গদা), গোৰোহা (গোড়্ড), ছাল + আহি = ছলাহি।

## সাধাৰণ গঠনকাৰী তদ্ধিত প্ৰত্যয়

**৫ ঃ ৪** স্বাৰ্থিক প্ৰত্যয়কেইটিৰ বাহিৰে অসমীয়া ভাষাত অনেক তদ্ধিত প্ৰত্যয় সোমাই পৰিছে। কিছুমান (ক) মৌলিক অৰ্থাৎ সংস্কৃত মূলৰপৰা পৰিৱৰ্তিত হৈ অসমীয়াত সোমাইছে আৰু কিছুমান (খ) আগন্তুক অৰ্থাৎ আধুনিক যুগত বিভিন্ন ভাষাৰপৰা অসমীয়াত সোমাই পৰিছে।

**৫ ঃ ৫ (ক) অসমীয়া মৌলিক তদ্ধিত প্ৰত্যয়**

সংস্কৃত তৎসম তদ্ধিত প্ৰত্যয়ৰ বাহিৰে আন আন তদ্ভৱ, অৰ্ধ তৎসম নাইবা প্ৰকৃত অসমীয়া প্ৰত্যয়বোৰ তলত উল্লেখ কৰা হ'ল।

**১। অক ঃ** আছে বা পাকৈত অৰ্থত বিশেষ্য শব্দৰ পিছত অক যোগ কৰি বিশেষণ পদ গঠন কৰা হয়। যথা,

বুধি আছে বুধি + অক = বুধিয়ক, (ই-কাৰান্ত শব্দৰ পিছত প্ৰত্যয়ৰ অ থকা বাবে য় আগম হৈছে)। তেনেকৈ ফন্দি (প্ৰৱঞ্চ) + অক = ফন্দিয়ক, খেতি + অক = খেতিয়ক।

**২। অতি, তি, তী ঃ** পাকৈত, অভ্যস্ত, আছে বা তাৰ পৰা হোৱা অৰ্থ বুজাবলৈ নামশব্দৰ পিছত ব্যৱহাৰ হয়। সিদ্ধ পদ গুণবাচক বিশেষ্য বা বিশেষণ হয়। ৱন্ত + ইক (ইকা)।

সৰ্ব + অতি = সৰ্বতি (সৰ্বতিকাল) বাপ + অতি = বাপতি (বাপতি সাহোন)।

খীৰ + অতী = খীৰতী (খীৰতী গাই) স্ত্ৰী।

পাচ + অতি = পাঁচতি বাৰ + অতি = বাৰতি।

লাস + অতী = লাহতী ধাৱ + অতি = ধাউতি।

পুৱা + অতি = পুঁৱতী (পুঁৱতী নিশা)

লাজ + অতি = লাজতী, ফুল + অতি = ফুলতী।

**৩। অতীয়া ঃ** তাত হোৱা অৰ্থত সংজ্ঞা শব্দৰ পিছত ব্যৱহাৰ হয়। ওপৰত উল্লেখ কৰা প্ৰত্যয়ৰ পিছত নিৰ্দেশক বা স্বাৰ্থিক 'অ' প্ৰত্যয় যোগ কৰি অতীয়া প্ৰত্যয় উদ্ভৱ হৈছে। সিদ্ধ পদ বিশেষণ হয়। (ত্ৰ + ইক + আ)। যথা,

শেষত হোৱা শেহ + অতীয়া = শেহতীয়া, আগ + অতীয়া = আগতীয়া, তল + অতীয়া = তলতীয়া, পাচ + অতীয়া = পাচতীয়া। বাপ + অতীয়া = বাপতীয়া, বশ + অতীয়া = বশতীয়া।

**৪। অতিয়াৰ, অতিয়াল ঃ পূৰ্বোক্ত** ; অতি (ৱন্ত + ইক) প্ৰত্যয়ৰ লগত আৰ বা য়াল যোগ কৰি যৌগিক প্ৰত্যয় পোৱা যায়। পাকৈত অভ্যস্ত বা তাৰ পৰা হোৱা অৰ্থত ব্যৱহাৰ হয়।

সাঁচ (সঞ্চয়) + অতিয়াৰ = সাঁচতিয়াৰ।

মাছ (মৎস) + অতিয়াৰ = মাছতিয়াৰ।

লাগ (লগ্ন) + অতিয়াৰ = লাগতিয়াল।

**৫। অনি ঃ** বিস্তৃত বা সমূহ বুজাবলৈ অনি (ৱনিকা) বিশেষ্য পদৰ পিছত ব্যৱহাৰ হয়। যেনে,

ধান + অনি = ধাননি। মাহ + অনি = মাহনি। পদুম + অনি = পদুমনি।

কাঠ + অনি = কাঠনি। নাহৰ + অনি = নাহৰণি। শাক + অনি = শাকনি।

বন + অনি = বননি। চুৱাপাত + অনি = চুৱাপাতনি। হাবি + অনি = হাবিয়নি।

(ইৰ পিছত অ স্বৰ ধ্বনি থকা বাবে য় শ্ৰুতিৰ আগম হৈছে)।

উলু + অনি = উলুৱনি, (উৰ পিছত অন্য স্বৰ অ থকা বাবে ৱ শ্ৰুতি আগম হৈছে)।

৬। অন ঃ আছে অৰ্থত অন প্ৰত্যয় যোগ হ'লে গুণবাচক বিশেষ্য হয়। যথা, মলি + অন = মলিয়ন (য় শ্ৰুতিৰ আগম হৈছে)।

প্ৰত্যয় = অন = পতিয়ন।

৭। অৰি, অৰী, অৰীয়া ঃ অভ্যাস, নাইবা শব্দৰ সম্বন্ধিত অৰ্থ বুজাবলৈ ব্যৱহাৰ হয়। সিদ্ধপদ বিশেষ্য বা বিশেষণ হয়। যথা,

লাস + অৰি = লাহ + অৰি = লাহৰি। ফুল + অৰি = ফুলৰি। ভাল + অৰি = ভালৰি। লগ + অৰি = লগৰী। বন + অৰি = বনৰী।

৮। অৰীয়া ঃ অজাত + অৰীয়া = অজাতৰীয়া। লগ + অৰীয়া = লগৰীয়া। বন + অৰীয়া = বনৰীয়া। কাষ + অৰীয়া = কাষৰীয়া। বিজাত + অৰীয়া = বিজাতৰীয়া। ভাৱ + অৰীয়া = ভাৱৰীয়া। নাও + অৰীয়া = নাৱৰীয়া।

৯। অলীয়া ঃ অভ্যাস বা শব্দৰ সম্বন্ধিত অৰ্থ প্ৰকাশ কৰিবলৈ অলীয়া প্ৰত্যয় যোগ কৰা হয়। সিদ্ধপদ বিশেষ্য বা বিশেষণ হয়। যথা,

গাঁও + অলীয়া = গাঁৱলীয়া। মিছ + অলীয়া = মিছলীয়া। (প্ৰত্যয়ৰ অন্ত 'অ' ধ্বনিৰ প্ৰভাৱত স্বৰ-সংগতিৰ বাবে মিছা শব্দৰ আ < অ হৈছে।) তেনেকৈ মাজ + অলীয়া = মজলীয়া ; মত্ত + অলীয়া = মতলীয়া ; গাজ + অলীয়া = গজলীয়া।

১০। অৰুৱা ঃ অভ্যস্ত বা পাকৈত আদি অৰ্থত অৰুৱা প্ৰত্যয় ব্যৱহাৰ হয়। সিদ্ধপদ বিশেষ্য বা বিশেষণ হয়। যথা,

বাট + অৰুৱা = বাটৰুৱা। হাট + অৰুৱা = হাটৰুৱা। ভাগ + অৰুৱা = ভাগৰুৱা। আধা + অৰুৱা = আধৰুৱা (প্ৰত্যয়ৰ অন্ত্য 'আ'ৰ প্ৰভাৱত স্বৰ সংগতিৰ বাবে আধা শব্দৰ অন্ত্য 'আ' লোপ পাইছে)।

১১। আঙ্ ঃ স্বাৰ্থিক অঙ্ প্ৰত্যয়ৰ পৰা উদ্ভৱ হোৱা আঙ্ তেনে প্ৰকৃতি বা স্বভাৱৰ অৰ্থত ব্যৱহাৰ হয়। বিশেষ্য বিশেষণ পদ হৈ পৰে। যথা,

থিৰ (< স্থিৰ) থিৰাং, তৰ (তট)- তৰাং (বাম), খৰ—খৰাং, চোৰ—চোৰাং।

১২। আ ঃ বৈশিষ্ট্যপূৰ্ণ প্ৰত্যয় । নিৰ্দেশক (Definitive), স্বাৰ্থিক (Pleonastic) কৃৎ (Primary), প্ৰত্যয় আৰু তদ্ধিত প্ৰত্যয় ৰূপে ব্যৱহাৰ হয়। বিভিন্ন প্ৰত্যয়ৰ লগত লগ লাগি যৌগিক প্ৰত্যয় গঠন কৰে। আছে অৰ্থত বা তাৰ পৰা হোৱা অৰ্থত 'অ' প্ৰত্যয় ব্যৱহাৰ হয়। সিদ্ধপদ সাধাৰণতে বিশেষণ হয়। যথা,

জাবৰ + আ = জবৰা স্ত্ৰী, জাবৰী।
ফাঁপৰ + আ = ফঁপৰা, স্ত্ৰী, ফাঁপৰী।
জংঘল + আ = জংঘলা, বিশেষণ, জংঘলী। গেঁৰ + আ = গেৰা।
খৰা + নাক + আ = খৰানকা (স্বৰ সংগতিৰ বাবে 'নাক'ৰ আ অ হৈছে), দীঘল পেট + আ = দীঘল পেটা।

DAILY ASSAM



ভেট চকু + আ = ভেটচকুৱা (উৰ পিছত আ থকা বাবে ৱ শ্ৰুতি আগম হৈছে)।

কালবাচক দিন, মাহ আদিৰ পিছত কাৰ্যৰ সময় নিৰূপণৰ বাবে 'আ' যোগ হয়। (প্ৰকৃততে এই আ প্ৰত্যয় নহয়। ষষ্ঠী বিভক্তিৰ চিনহে)। যথা,

সং অস্য > মাগধী প্ৰাকৃতত— আহ > অস, আ।

সি— দিন + আ = সিদিনা, ভেটি— বেলি + আ = ভাটিবেলা।

ভাদ— মাহ + আ = ভাদমহা। আহিন + আ = আহিনা।

**১৩। আই** ঃ বিশেষ্য, বিশেষণৰ পৰা গুণবাচক বিশেষ্য কৰিবলৈ আই প্ৰত্যয় যোগ কৰা হয়। যথা,

মুনিহ + আই = মুনিষাই

বৰ + আই = বৰাই

পুষ্ট + আই = পোষ্টাই।

দ্ৰোহ + আই = দোহাই।

বোজা + আই = বোজাই।

চাফ + আই = চাফাই।

**১৪। আইত** ঃ অভ্যস্ত অৰ্থত ব্যৱহাৰ হয়। যথা,

অঘ (পাপ) + আইত = অঘাইত, ং লগ কৰিলে অঘাইতং। গভ + আইত = গভাইত।

**১৫। আন** ঃ গুণবাচক বিশেষ্য গঢ়িবলৈ ব্যৱহাৰ কৰা হয়।

শুষ্ক + আন = শুকান, পাত + আন = পতান (সদৃশ অৰ্থত)।

**১৬। আম** ঃ কৰ্ম শব্দৰ পৰা উদ্ভৱ হোৱা আম (< কাম) প্ৰত্যয় হিচাপে ব্যৱহাৰ হৈছে।

যেনে— ফুলৰ কাম কৰা— ফুল্ল + কৰ্ম = ফুল + আম = ফুলাম, কাঠ + কৰ্ম = কাঠ + আম = কাঠাম।

**১৭। আমি** ঃ গুণবাচক বিশেষ্য পদ গঠন কৰিবলৈ নাম শব্দৰ পিছত যোগ কৰা হয়। যথা,

দুষ্ট + আমি = দুষ্টামি।

শঠ + আমি = শঠামি।

পাগল + আমি = পাগলামি।

ঠগ + আমি = ঠগামি।

মুৰ্খ + আমি = মুৰ্খামি।

পাতল + আমি = পাতলামি।

**১৮। আৰ, আৰি** ঃ ব্যৱসায় বা জীৱিকা অৰ্থত আত (< কাৰ) আৰু আৰী (< কাৰ + ইকা) ব্যৱহাৰ হয়। যথা,

কাঁহ + আৰ = কঁহাৰ (পূৰ্বৰ 'আ' স্বৰ সংগতিৰ বাবে 'অ' হৈছে)।

চৰ্ম বা চাম + আৰ = চমাৰ।

সোণ + আৰী = সোণাৰী।

কুম্ভ বা কুম + আৰ = কুমাৰ।

জুৱা + আৰী = জুৱাৰী।

**১৯। আল** ঃ আছে অৰ্থত আল প্ৰত্যয় ব্যৱহাৰ হয়, সিদ্ধিপদ বিশেষণ হয়। যথা,

তেজ + আল = তেজাল

কোব + আল = কোবাল

ৰস + আল = ৰসাল।

মুখ + আল = মুখাল।

খং + আল = খঙাল নোম + আল = নোমাল।

(গৰ্ব + দৰ্প) গপ + আল = গপাল।

২০। **আলি ঃ** গুণবাচক বিশেষ্য গঢ়িবলৈ নাম শব্দৰ পিছত আলি ব্যৱহাৰ কৰা হয়। যথা,

চতুৰ— চতুৰালি, বেজ— বেজালি, কৃপণ— কৃপণালি, টেঙৰ + আলি— টেঙৰালি।

ল'ৰা— ল'ৰালি, বলিয়া— বলিয়ালি, মইমত— মইমতালি, পুৰুষ— পুৰুষালি।

২১। **আলী ঃ** বিস্তৃত বা ব্যাপ্ত অৰ্থত আলী প্ৰত্যয় ব্যৱহাৰ হয়।

জোন + আলী = জোনালী, ভোগ— ভোগালী, সোণ— সোণালী, ৰূপ— ৰূপালী, ৰঙ— ৰঙালী।

২২। **ইয়াল ঃ** আছে অৰ্থত ইয়াল প্ৰত্যয় ব্যৱহাৰ হয়।

সাহ + ইয়াল = সাহিয়াল। মৰম + ইয়াল = মৰমিয়াল। ৰাগী + ইয়াল = ৰাগিয়াল। ৰঙ + ইয়াল = ৰঙিয়াল।

২৩। **আল ঃ** ব্যৱসায় বা সেই কামত পাৰ্গত অৰ্থত এবিধ নতুন প্ৰত্যয় আল (< পাল) ব্যৱহাৰ হয়। যথা,

গো + আল = গোৱাল (ও কাৰৰ পিছত আ থকা বাবে 'ৱ' শ্ৰুতি আগম হৈছে)। (< গোপাল)। চকী + আল = চকীয়াল (য়— শ্ৰুতি আগম হৈছে), নদী + আল = নদীয়াল (য়— শ্ৰুতি আগম হৈছে), গুৰি + আল = গুৰিয়াল (য়— শ্ৰুতি আগম হৈছে), আগ + আল = আগোৱাল (ৱ— শ্ৰুতি আগম হৈছে।)

তেনেকৈ— ঘাট + আল = ঘাটোৱাল (ৱ— শ্ৰুতি আগম হৈছে।)

২৪। **আলু ঃ** আলু অৰ্থত ব্যৱহাৰ হয়। যথা,

কৃপা + আলু = কৃপালু। দয়া + আলু = দয়ালু।

২৫। **ই ঃ** প্ৰত্যয় যোগ কৰি গুণবাচক বিশেষ্য কৰা হয়। যথা, মাষ্টৰ + ই = মাষ্টৰি, ডাক্তৰ— ডাক্তৰি, বদমাচ— বদমাচি, চাকৰ—চাকৰি, জুৱাচোৰ— জুৱাচুৰি।

২৬। **ইয়া ঃ** কেইটিমান পদত ব্যৱহাৰ হয়। মাথোন।

চৰু— চৰিয়া। পুৰা— পুৰিয়া। মাজ— মজিয়া।

২৭। **ইয়াৰ ঃ** কাৰ্য কৰ্তা বা বিশেষণ গঠন কৰিবলৈ 'ইয়াৰ' ব্যৱহাৰ হয়। যথা,

আধা (অৰ্ধ) + ইয়াৰ = আধিয়াৰ। ভাগ + ইয়াৰ = ভাগিয়াৰ।

আটস্ত + ইয়াৰ = আটন্তিয়াৰ (অট্ৰ + ৱন্ত)।

২৮। **ইল, ইলা, ইলি ঃ** বিশেষ্য আৰু বিশেষণ গঠন কৰিবলৈ ব্যৱহাৰ হয়। যথা,

ৰং + ইল = ৰঙিল। কাম + ইলা = কামিলা। মাহ + ইলি = মাহিলি।

২৯। **ঈ ঃ** বিশেষ্য আৰু বিশেষণ গঠন কৰিবলৈ ব্যৱহাৰ হয়।

DAILY ASSAM



(ক) সংস্কৃত ইন্-ৰ পৰা ঈ হয়, ধনিন্- ধনী। মানিন্—মানী। ইত্যাদি।

(খ) ইয়াৰে প্ৰস্তুত অৰ্থত ঈ প্ৰত্যয় যোগ হয়। যথা,

তামেৰে প্ৰস্তুত— তাম + ই = তামী। কপাহেৰে প্ৰস্তুত— কপাহ + ঈ = কপাহী। বাঁহেৰে তৈয়াৰী, বাঁহ + ঈ = বাঁহী। পছমেৰে তৈয়াৰী, পছম + ঈ = পছমী। কাঁহেৰে তৈয়াৰী, কাঁহ + ঈ = কাঁহী।

(গ) সাদৃশ্য অৰ্থত ঈ ব্যৱহাৰ কৰা হয়।

আকাশ ৰঙৰ নিচিনা— আকাশ + ঈ = আকাশী।

গোলাপৰ ৰঙৰ নিচিনা— গোলাপ + ঈ = গোলাপী।

বাদামৰ নিচিনা— বাদাম + ঈ = বাদামী।

(ঘ) আছে অৰ্থত ঈ। যথা,

সুখ আছে— সুখ + ঈ = সুখী। দুখ আছে— দুখ + ঈ = দুখী।

দৰদ আছে— দৰদ + ঈ = দৰদী। দাগ আছে— দাগ + ঈ = দাগী।

দাম আছে — দাম + ঈ = দামী।

(ঙ) ব্যৱসায় বা জীৱিকা অৰ্থত ঈ প্ৰত্যয় যোগ হয়। যথা,

ভাৰ বোৱাই যাৰ জীৱিকা সি ভাৰ + ঈ = ভাৰী।

দুৱাৰ + ঈ = দুৱাৰী।

কাকত + ঈ = কাকতী। (দেৱ গৃহ) দেৱঘৰ + ঈ = দেউৰী।

ভাগৱত + ঈ = ভাগৱতী, ভাগতী।

(চ) পাৰ্গত অৰ্থত ঈ প্ৰত্যয় ব্যৱহাৰ হয়। যথা,

কাম-কাজত পাৰ্গত কাজ + ঈ = কাজী। তেনেকৈ, কাঁড় + ঈ = কাঁড়ী, চিকাৰ + ঈ = চিকাৰী, ঘাতক— ঘাতকী।

(ছ) ধৰ্ম পন্থা অনুসৰণ কৰা অৰ্থত ঈ প্ৰত্যয় ব্যৱহাৰ হয়। যেনে,

বৈষ্ণৱ ধৰ্ম অনুসৰণকাৰী বৈষ্ণৱ + ঈ = বৈষ্ণৱী। তেনেকৈ শংকৰ + ঈ = শংকৰী। হৰিদেৱ + ঈ = হৰিদেৱী। দামোদৰ + ঈ = দামোদৰী।

(জ) তাত বাস কৰে বা তাৰ পৰা উৎপন্ন হোৱা এনে অৰ্থত ঈ প্ৰত্যয় যোগ হয়। যথা,

কামৰূপ + ঈ = কামৰূপী, জাপান + ঈ = জাপানী।

বিলাত + ঈ = বিলাতী, পঞ্জাৱ + ঈ = পঞ্জাৱী।

মৰাঠা + ঈ = মৰাঠী, নেপাল + ঈ = নেপালী।

দেশ + ঈ = দেশী।

৩০। **ইয়া ঃ** এইটো যৌগিক প্ৰত্যয়। আছে অৰ্থত বা সম্বন্ধ অৰ্থত ঈ + স্বাৰ্থিক আ (< আক) যোগ কৰিলে ঈয়া হয়। (য়— শ্ৰুতি আগম হৈছে)। বিভিন্ন অৰ্থত 'ঈয়া' প্ৰত্যয় ব্যৱহাৰ হয়। সিদ্ধপদ বিশেষ্য বা বিশেষণ হয়। যথা,

(১) ইয়াৰে যুক্ত বা আছে— এই অৰ্থত ঈয়া প্ৰত্যয় ব্যৱহাৰ হয়। যথা,

লোণেৰে যুক্ত = লুণীয়া (লোণৰ ও কাৰ প্ৰত্যয়ৰ উচ্চ স্বৰ ঈ-কাৰ থকা বাবে স্বৰ সংগতিৰ বাবে উ-কাৰ হৈছে)।

গোঁফেৰে যুক্ত = গুঁফীয়া (স্বৰ সংগতিৰ বাবে ও-কাৰ উ হৈছে)।

নালেৰে যুক্ত = নলীয়া (পৰৱৰ্তী প্ৰত্যয়ৰ 'আ' থকা বাবে নালৰ আ-কাৰ অ-কাৰ হৈছে)। জঁটেৰে যুক্ত + জঁটীয়া। ডাৰি-ডৰীয়া, কোণ-কুণীয়া, পানী-পনীয়া।

(২) সাদৃশ্য অৰ্থত ঃ কপাহ গুটিৰ নিচিনা— কপাহগুটীয়া, বাঁহপাতৰ নিচিনা- বাঁহপতীয়া, কুকুৰৰ নেজৰ নিচিনা— কুকুৰনেজীয়া (কুকুৰ লেজীয়া, কুকুৰ নেচীয়া), ডালিমগুটি— ডালিমগুটীয়া, কলপতীয়া (বৰণ), শহাকাণ— শহাকণীয়া, তেলতেল- তেলতেলীয়া, কপলীয়া।

(৩) দিক্ অৰ্থত ঃ এফলীয়া— একফাল, পশ্চিম— পশ্চিমীয়া, দক্ষিণ পাৰ- দক্ষিণপৰীয়া, উত্তৰ পাৰ— উত্তৰপৰীয়া। উজনি— উজনীয়া।

(৪) স্বভাৱ অৰ্থত ঃ কপট— কপটীয়া, কন্দল— কন্দলীয়া, কুৰ্চুট— কুৰ্চুটীয়া।

(৫) ব্যৱসায় বা জীৱিকা অৰ্থত ঃ ঢোল-ঢুলীয়া (ও-কাৰ স্বৰ সংগতিৰ বাবে উ হৈছে) কালি-কালীয়া, ঠাকুৰ-ঠাকুৰীয়া, আঠপৰীয়া, তেল-তেলীয়া, কৰত-কৰতীয়া, মাটি কটাই জীৱিকা যাৰ, মাটি-কটীয়া।

(৬) ভাৱ অৰ্থত ঃ অনুকুল-অনুকুলীয়া, প্ৰতিকূল-প্ৰতিকূলীয়া, উচ্চকূল- উচ্চকুলীয়া, পুৰুষ-পুৰুষীয়া (generation) ।

(৭) তাৰ পৰা উদ্ভৱ আৰু সাদৃশ্য অৰ্থত ঃ হাতীৰ দাঁতৰপৰা উদ্ভৱ বা দাঁতৰ নিচিনা অৰ্থত, হাতীদাঁত-হাতীদঁতীয়া, টকৌ পাতৰপৰা উৎপন্ন বা টকৌ পাতৰ নিচিনা, টকৌ পাত-টকৌপতীয়া। তেনেকৈ, বাঁহপাত-বাঁহপতীয়া।

(৮) ধৰ্ম পন্থী অৰ্থত ঃ দামোদৰ-দামোদৰী বা দামোদৰীয়া, মহাপুৰুষ- মহাপুৰুষীয়া।

(৯) তাত হোৱা অৰ্থত ঃ মাহ, দিন শব্দত, দিন-দিনীয়া, ভাদ মাহ-ভাদমহীয়া, আহিনমহীয়া, মাঘমহীয়া।

ভাদত জন্ম হোৱা-ভদীয়া, পৰ্বতত থকা বা হোৱা-পৰ্বতীয়া ; পাহাৰত থকা বা হোৱা-পাহাৰীয়া।

ৰবি (বাৰে) হোৱা-ৰবিবৰীয়া, ৰবীয়া, বৃহস্পতি (বাৰে) হোৱা-বৃহস্পতীয়া, চহৰত থাকে বা জন্মে-চহৰীয়া।

তেনেকৈ নগৰ-নগৰীয়া, তেজপুৰ-তেজপুৰীয়া, যোৰহাট-যোৰহটীয়া, গুৱাহাটী-গুৱাহাটীয়া (হাট আৰু হাটীৰ আ-কাৰ অ-কাৰ হৈছে) গাঁও ঈয়া = গএগ্ৰ (গএগ্ৰ ৰাইজ), গাঁৱলীয়া।

(১০) অৱস্থা অৰ্থত ঃ সুখ-সুখীয়া, দুখ-দুখীয়া, নোমল (নৱ-কোমল) নুমলীয়া, নিয়ম-নিয়মীয়া, এঘৰ-এঘৰীয়া, দহজন-দহজনীয়া, দীঘল হাত দীঘলহতীয়া (সহজে পাব পৰা অৰ্থত)।

(১১) পৰিমাণ অৰ্থত ঃ একঠা— একঠীয়া, এমাহ— এমহীয়া, তিনিমাহ— তিনিমহীয়া, ক্ষন্তেক— ক্ষন্তেকীয়া, অলপ— অলপীয়া, এটকা— এটকীয়া, দহ টকা- - দহটকীয়া, বিনামূল্য— বিনামূলীয়া।

(১২) ব্যাপ্তি অৰ্থত ঃ জোখ, কাল, পৰিমাণ আদি শব্দৰ পিছত ঈয়া যোগ হয়। যথা,

পাঁচফুট— পাঁচফুটীয়া, বাৰফুট— বাৰফুটীয়া, তিনিহাত— তিনিহতীয়া, সাতহাত- সাতহতীয়া, দুবছৰ— দুবছৰীয়া, তিনিমাহ— তিনিমহীয়া, ছয়মাহ— ছমহীয়া।

মাহ শব্দৰ পিছত এক যোগ কৰি ঈয়া প্ৰত্যয় যোগ কৰা হয়।

যেনে, মাহ-এক-মাহেক + ঈয়া = মাহেকীয়া (অৰ্থাৎ মাহিলি)

**৩১। উৱা ঃ** স্বাৰ্থিকভাৱে ব্যৱহাৰ হোৱাৰ উপৰিও অসমীয়াত অভ্যস্ত, পাৰ্গত, আছে অৰ্থত নাইবা সম্পৰ্ক অৰ্থত ব্যৱহাৰ হয়। সিদ্ধ বিশেষ্য বা বিশেষণ হয়।

(১) আছে অৰ্থত ঃ মাঁৰ আছে মাঁৰুৱা (মণ্ড)।

সাৰ আছে— সাৰুৱা। খাৰ আছে— খাৰুৱা। পলস আছে— পলসুৱা।

(সং. পট্ট) পাট আছে-পটুৱা, (কলপটুৱা), খক-খকুৱা, ধাৰ-ধৰুৱা, জাবৰ- জাবৰুৱা, পেট-পেটুৱা, ভাজ-ভজুৱা, কেঁচা-কেঁচুৱা, দাঁত-দঁতুৱা, (উচলা দঁতুৱা আৰু দাঁত লগা লোক অৰ্থত)।

(২) অভ্যস্ত অৰ্থত ঃ ভাত খোৱাত অভ্যস্ত = ভাত (< ভক্ত) ভতুৱা, এলাহ- এলেহুৱা, মাছ-মছুৱা।

(৩) পাৰ্গত অৰ্থত ঃ ৰণত পাৰ্গত-ৰণুৱা, বনত (কামত) পাৰ্গত বনুৱা।

(৪) সাদৃশ্য অৰ্থত ঃ চকু-চকুৱা, কপাহ-কপহুৱা।

(৫) তাত ওপজে বা তাত পোৱা যায় এনে অৰ্থত ঃ জেঠ-জেঠুৱা, ঘৰ- ঘৰুৱা, পথাৰ-পথৰুৱা, প্ৰবাস-প্ৰবসুৱা, বজাৰ-বজৰুৱা।

(৬) সম্পৰ্কীয় অৰ্থত ঃ বিহু সম্পৰ্কীয়-বিহুৱা, সমাজ-সমজুৱা।

**৩২। উৱাল ঃ** বিশেষণ পদ গঠন কৰিবলৈ নাম শব্দৰ পিছত যৌগিক উৱাল (ল স্বাৰ্থিক প্ৰত্যয়) ব্যৱহাৰ হয়। যথা,

(সং. পাশ) পাহ-পাহুৱাল, ভিতৰ (< অভি + অন্তৰ) + উৱাল = ভিতৰুৱাল।

**৩৩। উক, উকা, উকি ঃ** আছে অৰ্থত ব্যৱহাৰ হয়। যেনে,

লাজ আছে = লাজুকা, হিন্দী হালকা = হালুক, ভাৱ + উকি = ভাবুকি, জলা+ উক = জালুক।

**৩৪। উৰা, উৰি ঃ** অভ্যস্ত বা পাকৈত অৰ্থত উৰা প্ৰত্যয় ব্যৱহাৰ হয়। যথা,

দন্দ-দন্দুৰা, স্ত্ৰী, দন্দুৰী, ভাঙ-ভাঙুৰী, দাঁহ + উৰা = দাঁহুৰা।

**৩৫। উৰ, আউৰি ঃ** ব্যাপ্তি, প্ৰাচুৰ্য আদি বুজাবলৈ উৰ, আউৰ, আউৰি প্ৰত্যয় ব্যৱহাৰ হয়। যথা,

জাউৰ— (জাপুৰ) (Heavy shower)

জাউৰী— জাপুৰা + ইক (জৰ Speed)

মথাউৰী— (মন্থৰ + আপুৰ + ইক)।

**৩৬। ওৱা, উৱৈ ঃ** কোনো কাৰ্যত অভ্যস্ত বা পাকৈত অৰ্থত ওৱা (< ৱাহক), উৱৈ (< ৱাহিকা) প্ৰত্যয় ব্যৱহাৰ হয়। যথা,

হাল ৱাহক— হালোৱা (হাল + ওৱা), জাল ৱাহক— জালোৱা (জাল + ওৱা)।

তেনেকৈ—

ঘাট-উৱৈ = ঘাটুৱৈ (ঘট্ট + ৱাহিক) খেল, খেলা-উৱৈ = খেলুৱৈ (খেলা ৱাহিক), গছ = গছুৱৈ, গাছুকৈ (গচ্ছ ৱাহিক),

পাঠ— উৱৈ = পঠুৱৈ, পঢুৱৈ (পাঠ ৱাহিক), মেল-উৱৈ = মেলুৱৈ (মেল ৱাদিক)।

**৩৭। ঔ ঃ** স্বভাৱ বুজাবলৈ ঔ প্ৰত্যয় (ক) ব্যৱহাৰ হয়। যথা,

ভাটৌ-(ভট্ট + কু), ভাত + উ। কপৌ-(কপোত + কু) কপোঅ-উ। তেনেকৈ- নিতৌ, সদৌ, ইত্যাদি।

**৩৮। উলা ঃ** আছে অৰ্থত ব্যৱহাৰ হয়।

পেট ডাঙৰ যাৰ পেটুলা।

**৩৯। কুৰি ঃ** বিস্তৃত, অতিশয় অৰ্থত সংজ্ঞা শব্দৰ পিছত কুৰি (< কুট + + ইক) ব্যৱহাৰ হয়। যথা,

বাট-কুৰি (ৱৰ্ম-বাট), হাট-কুৰি (হট্ট-হাট)। আকৌ লাজকুৰীয়া (কুটিত-কুৰীয়া, লজ্জা), হিংসাকুৰীয়া (কুটিত)।

**৪০। চ ঃ** বিশেষ্য বা বিশেষণ গঢ়িবলৈ চ (< ত্য) প্ৰত্যয় যোগ কৰা হয়। যথা,

(কুণপ-কবন্ধ + ত্য), কুন্ধ + চ = কুন্ধচ, (গভীৰ + ত্য) = গইচ্, গৈচ, (আত্মন্), আপ + চ = আপোচ।

**৪১। চা, চি, চী, চীয়া ঃ** প্ৰকৃত বা তাত হোৱা বুজাবলৈ চা, চি, চী, চিয়া প্ৰত্যয় ব্যৱহাৰ হয়।

খড় (সং. খট) + চা = খৰিচা, ক'লা + চা = ক'লচা, কলচা। ঘৰ (গৃহ) + চয়া = ঘৰচীয়া, ৰাৱ + চি = ৰাউচি, টেঙা + চি = টেঙেচি। হাল + চা = হালচা, হালিচা, ৰং + চুৱা = ৰঙচুৱা।

**৪২। টা, টি ঃ** স্বাৰ্থিক প্ৰত্যয় হিচাপে ব্যৱহাৰ হ'লেও বেলেগ মূলৰ অৰ্থাৎ পাট (পট্ট) শব্দৰপৰা উদ্ভৱ হোৱা অসমীয়া বৈশিষ্ট্যপূৰ্ণ টা, টি প্ৰত্যয় ব্যৱহাৰ হয়। যথা,

চমটা (চৰ্ম + পট্টিকা, চাম— অটা), বেৰটি (বেষ্ট— পট্টিকা)।

**৪৩। ঠ, ঠা, থ, থা ঃ** আকৃতি, অৱস্থা আদি ভাব বুজাবলৈ থ ঠা (< অৱস্থা) প্ৰত্যয় ব্যৱহাৰ হয়। যথা,

নগ্ন অৱস্থা— নাঙঠ, বা নাঙথ, নঙঠা, পূৰ্ণ অৱস্থা পূৰঠ বা পূৰথ, চাল অৱস্থা- চলাঠ বা চলাথ, গুল্ম অৱস্থা— গোমোঠা বা গোমোথা।

**৪৪। ত, তি ঃ** অসমীয়াত দুটা শব্দ আছে, পুত্ৰ শব্দৰ পৰিৱৰ্তন হৈ ত, তি হৈছে। জ্যেষ্ঠপুত্ৰ জেঠোত (অৰ্থ পৰিৱৰ্তন হৈ শহুৰৰ জ্যেষ্ঠ পুতেককহে বুজায়)।

একপুত্ৰিকা— একুতি (একেটি পুত্ৰ থকা নাৰী)।

DAILY ASSAM



৪৫। **হি, আহি :** গুণবাচক বিশেষ্য গঠন কৰিবলৈ ব্যৱহাৰ হয়।

(সং. স্ফীত) ফিত + আহি = ফিতাহি। (সং. কেকৰ) কেৰা + আহি = কেৰাহি।

অৰ্ধতৎসম প্ৰত্যয় কিছুমানৰ অসমীয়াত ব্যৱহাৰ আছে। অসমীয়া শব্দৰ পিছতহে তেনেবোৰ প্ৰত্যয় ব্যৱহাৰ হয়।

৪৬। **তলী :** অঞ্চল বা ঠাইৰ বিস্তৃতি বুজাবলৈ ব্যৱহাৰ হয়।

যথা, ধান য'ত কৰা হয়— সেয়ে-ধানতলী। তেনেকৈ মাহতলী, বেহাৰতলী বা সৰিয়হতলী, কঠিয়াতলী।

৪৭। **থলী :** যি ঠাইত হয় তাকে বুজাবলৈ থলী (স্থলী) ব্যৱহাৰ হয়। যথা,

য'ত ৰণ কৰা হয়— ৰণথলী, সভা য'ত কৰা হয়— সভাথলী। তেনেকৈ— পূজাথলী, উচৰথলী।

৪৮। **বাৰী :** অঞ্চল বা ঠাইৰ বিস্তৃতি বুজাবলৈ বাৰী ব্যৱহাৰ হয়। যথা,

আমৰ বাৰী, আমবাৰী, বাঁহবাৰী, খেৰবাৰী, কঁঠালবাৰী, কুঁহিয়াৰবাৰী, আনাৰসবাৰী, কলবাৰী।

৪৯। **হাল, শাল, শালা :** ঘৰ বা কোনো কাৰ্য কৰা স্থান বুজাবলৈ ব্যৱহাৰ হয়। যথা, জুই ধৰা ঘৰ— জুহাল, ঢেঁকীৰ ঘৰ ঢেঁকীশাল। তেনেকৈ— পঢ়াশালি, গোশালা, ধৰ্মশালা।

৫০। **ময় :** ব্যাপ্তি বা বিস্তৃতি অৰ্থত প্ৰত্যয় ব্যৱহাৰ হয়। যথা,

ধানেৰে ভৰা = ধানময়, পানীয়ে ওপচা = পানীময়, বোকাময়, ধূলাময়, চুৰাময়, সোণাময়, গছময়, ঘৰময়।

৫১। **কুৱা :** সৰ্বনাম শব্দৰ পিছত বিশেষণ-সৰ্বনাম গঠন কৰিবলৈ কুৱা ব্যৱহাৰ কৰা হয়। যথা,

এনেকুৱা, যেনেকুৱা, তেনেকুৱা, কেনেকুৱা।